NSD NEWS BULLETIN
ALL INDIA RADIO, GUWAHATI
**0000000000**

**Date :** 07-04-2026
**Time :** 1340 HRS.

*Assamese Midday Bulletin*

# HEADLINES

::::::::::::::::::

১। অহা ৯ এপ্ৰিলত বিধানসভা নিৰ্বাচন হ'বলগীয়া অসম, কেৰলম আৰু পুডুচেৰীত নিৰ্বাচনী প্ৰচাৰৰ আজি বিয়লি সামৰণি পৰিব।

২। প্ৰচাৰ অভিযানৰ অন্তিম দিনা অসমত ৰাজনৈতিক দলসমূহে ব্যাপক প্ৰচাৰ চলাইছে। বিজেপিৰ নেতা তথা গৃহমন্ত্ৰী অমিত শ্বাহে বৰাক উপত্যকাত প্ৰচাৰ চলায়।

৩। কেন্দ্ৰীয় চৰকাৰে প্ৰব্ৰজনকাৰী শ্ৰমিকসকলৰ বাবে দৈনিক আৱণ্টিত এল পি জি চিলিণ্ডাৰৰ যোগান দুগুণলৈ বৃদ্ধি কৰাৰ সিদ্ধান্ত লৈছে।

৪। ইজৰাইলে কালি ইৰানৰ শক্তি আন্তগাঁথনিত আক্ৰমণ চলোৱাৰ পাছতে সমগ্ৰ পশ্চিম এছিয়াত উত্তেজনা পুনৰ বৃদ্ধি পাইছে।

*আৰু*

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি গুৱাহাটীত মুম্বাই ইণ্ডিয়ানছ, ৰাজস্থান ৰয়েলছৰ মুখামুখি হ'ব।

০০০০০০

অসমৰ লগতে অহা ৯ এপ্ৰিলত বিধানসভা নিৰ্বাচন হ'বলগীয়া কেৰলম আৰু পুডুচেৰীতো নিৰ্বাচনী প্ৰচাৰৰ আজি বিয়লি সামৰণি পৰিব। কেৰলমত আজি নিৰ্বাচনী প্ৰচাৰৰ অন্তিম দিনা ৰাজনৈতিক দলসমূহে সমদল জনসভা আৰু ৰোড শ্ব'ৰ আয়োজন কৰি ভোটদাতাক আকৰ্ষণৰ চেষ্টা চলাইছে। জ্যেষ্ঠ কংগ্ৰেছ নেত্ৰী প্ৰিয়ংকা গান্ধী ৱদ্ৰাই আজি কালপেট্টাত পুৱাৰ ভাগত নিৰ্বাচনী সমাবেশত অংশ লয়। শ্ৰীমতী গান্ধীয়ে কেৰলমৰ এল ডি এফ চৰকাৰৰ কাম-কাজক সমালোচনা কৰে। ইপিনে কেন্দ্ৰীয় শাসিত অঞ্চল পুডুচেৰীত জ্যেষ্ঠ বিজেপি নেতা তথা কেন্দ্ৰীয় মন্ত্ৰী জে পি নড্ডা, ডি এম কেৰ নেতা আৰু তামিলনাডুৰ উপ মুখ্যমন্ত্ৰী উদায়ানিধী ষ্টেলিনকে ধৰি কেইবাগৰাকী নেতাই প্ৰচাৰত অংশ লৈছে। ইপিনে ২৩ আৰু ২৯ এপ্ৰিলত নিৰ্বাচন হ'বলগীয়া পশ্চিমবংগত আইনী নিৰীক্ষণ প্ৰক্ৰিয়াৰ মাজেৰে ভোটদাতাৰ বিশেষ পুংখানুপুংখ সংশোধিত তালিকা প্ৰকাশ কৰা হৈছে। প্ৰথমবাৰৰ বাবে ৰাজ্যখনত জিলা পৰ্য্যায়ত তথ্য সমূহ প্ৰকাশ কৰা হৈছে। নিৰ্বাচন আয়োগৰ সূত্ৰ অনুসৰি ৬০ লাখৰো অধিক লোকৰ নাম পুনৰ পৰীক্ষণৰ আওতাত ৰখা হৈছিল আৰু ইয়াৰে ৩২ লাখক যোগ্য ভোটদাতা হিচাপে ঘোষণা কৰা হৈছে।

০০০০০০

বিধানসভা নিৰ্বাচনৰ প্ৰচাৰ অভিযানৰ আজি সামৰণিৰ দিনা ৰাজনৈতিক দলসমূহে ভোটদাতাৰ মন জয় কৰিবলৈ অন্তিম বাৰৰ বাবে চেষ্টা চলাইছে। জ্যেষ্ঠ বিজেপি নেতা তথা গৃহমন্ত্ৰী অমিত শ্বাহে আজি বৰাকৰ পাথাৰকান্দিত নিৰ্বাচনী প্ৰচাৰ সভাত অংশ লৈছে। সভাত দিয়া ভাষণত শ্ৰী শ্বাহে এন ডি এ

চৰকাৰৰ শাসনকালত দেশ প্ৰগতিৰ দিশে অগ্ৰসৰ হৈছে বুলি উল্লেখ কৰে। তেওঁ লগতে বৰাক উপত্যকাত কংগ্ৰেছ দলে অনুপ্ৰেৰশকাৰীক আশ্ৰয় দিছে বুলি অভিযোগ তুলি অনুপ্ৰৱেশ ৰোধ কৰাৰ ক্ষেত্ৰত চৰকাৰে কঠোৰ পদক্ষেপ গ্ৰহণ কৰিব বুলি দৃঢ়তাৰে প্ৰকাশ কৰে।

শ্ৰীশ্বাহে হাইলাকান্দি বিধানসভা সমষ্টিত নিৰ্বাচনী সভাত অংশ লৈ অসমত বিজেপি নেতৃত্বাধীন চৰকাৰে ৰাজ্যখনক দেশৰ অন্যান্য বিকশিত ৰাজ্যৰ সম পৰ্য্যায়লৈ লৈ যোৱাৰ লক্ষ্য লৈছে বুলি উল্লেখ কৰে। শিলচৰৰ পুলিচ পেৰেড গ্ৰাউণ্ডত আন এখন সভাত অংশগ্ৰহণ কৰিব। বিজেপি নেত্ৰী তথা প্ৰাক্তন কেন্দ্ৰীয় মন্ত্ৰী স্মৃতি ইৰাণীয়েও আজি অসমত দলীয় প্ৰাৰ্থীৰ হৈ প্ৰচাৰ চলাব।

বিজেপিৰ জ্যেষ্ঠ নেতা তথা মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি ডিমৌৰ বালি খেলপথাৰত দলীয় প্ৰাৰ্থী সুশান্ত বৰগোহাঁইৰ হৈ প্ৰচাৰ চলায়। তেওঁ উন্নয়ন আৰু সু-শাসনৰ স্বাৰ্থত দলীয় প্ৰাৰ্থী গৰাকীক জয়ী কৰিবলৈ জনসাধাৰণক আহ্বান জনায়।

ড° শৰ্মাই টীয়ক বিধানসভা সমষ্টিত বিজয় সংকল্প সভাত অংশ লৈছে। তিতাবৰৰ ৰাজীৱ গান্ধী ক্ৰীড়া প্ৰকল্পত আয়োজিত আন এখন নিৰ্বাচনী প্ৰচাৰ সভাত দলীয় প্ৰাৰ্থী ধীৰাজ গোৱালাৰ হৈ মুখ্যমন্ত্ৰীয়ে প্ৰচাৰ চলাব। বিয়লিৰ ভাগত দেৰগাঁও বিধানসভা সমষ্টিৰ প্ৰাৰ্থী মৃদুল কুমাৰ দত্তৰ হৈ মুখ্যমন্ত্ৰী ড° শৰ্মাই বৰজান বাগান খেল পথাৰত আয়োজিত আন এখন নিৰ্বাচনী সভাত অংশ ল'ব।

ইপিনে, দিছপুৰ বিধানসভা সমষ্টিৰ ভাৰতীয় জাতীয় কংগ্ৰেছ দলৰ মনোনীত আৰু মিত্ৰজোঁটৰ সমৰ্থিত প্ৰাৰ্থী মীৰা বৰঠাকুৰৰ হৈ আজি কংগ্ৰেছ নেতা কানহাইয়া কুমাৰে প্ৰচাৰ চলায়।

কালি কংগ্ৰেছৰ ৰাষ্ট্ৰীয় সভাপতি মল্লিকাৰ্জুন খাৰ্গেই বৰাকত দুখন নিৰ্বাচনী প্ৰচাৰ সভাত ভাগ লয়।

জিলাখনৰ বৰখলা বিধানসভা সমষ্টিৰ দলুত আয়োজিত নিৰ্বাচনী জনসভাত শ্ৰীখাৰ্গেৰ সৈতে জিতেন্দ্ৰ সিঙো উপস্থিত থাকে। দলৰ নেতা গৌৰৱ গগৈ আৰু দেৱব্ৰত শইকীয়াইও কালি কেইবাঠাইতো দলীয় প্ৰাৰ্থীৰ হৈ ব্যাপক প্ৰচাৰ চলায়। শ্ৰীগগৈয়ে লখিমপুৰ সমষ্টিৰ বগীনদী উন্নয়ন খণ্ডত দলীয় প্ৰাৰ্থী ঘন বুঢ়াগোহাঁইৰ হৈ প্ৰচাৰ চলায়। তেওঁ ধেমাজিত কংগ্ৰেছৰ প্ৰাৰ্থী শৈলেন সোণোৱালৰ হৈও প্ৰচাৰ সভাত অংশ লয়। শোণিতপুৰ জিলাৰ ৰঙাপৰাত আজি জে এম এম আৰু জয় ভাৰত পাৰ্টীৰ প্ৰাৰ্থীৰ হৈ ঝাৰখণ্ডৰ মুখ্যমন্ত্ৰী হেমন্ত চোৰেণৰ পত্নী কল্পনা চোৰেণে প্ৰচাৰ চলায়। ভাষণত তেওঁ এন ডি এ চৰকাৰৰ কাম কাজৰ সমালোচনা কৰে।

বিজেপিৰ জ্যেষ্ঠ নেতা তথা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কালি ৰাজ্যৰ তিনিটা স্থানত প্ৰচাৰ চলায়।

০০০০০০

গুৰু টেগ বাহাদুৰৰ জন্মবাৰ্ষিকী প্ৰকাশ পূৰব উপলক্ষে উপ ৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণণ আৰু প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীকে ধৰি দেশৰ নেতৃবৰ্গই নৱমগৰাকী শিখ ধৰ্মগুৰুৰ প্ৰতি শ্ৰদ্ধা নিবেদন কৰিছে। সামাজিক মাধ্যম যোগে প্ৰচাৰ কৰা এটা বাৰ্তাত উপ ৰাষ্ট্ৰপতি শ্ৰীৰাধাকৃষ্ণণ গুৰু টেগ বাহাদুৰৰ জীৱনক সাহস, ত্যাগ, সত্য, নিষ্ঠা, মূল্যবোধ আৰু স্বাধীনতাৰ প্ৰতি বিশ্বাসৰ প্ৰতীক বুলি অভিহিত কৰে। ধৰ্মগুৰুগৰাকীৰ শিকনিসমূহে চিৰদিনলৈ দেশৰ জনসাধাৰণক পথ দেখুৱাই যাব বুলি তেওঁ আশাপ্ৰকাশ কৰে। একেদৰে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহেও প্ৰকাশ পূৰব উপলক্ষে গুৰু টেগ বাহাদুৰৰ প্ৰতি গভীৰ শ্ৰদ্ধা নিবেদন কৰিছে। প্ৰধানমন্ত্ৰী মোদীয়ে শিখ ধৰ্মগুৰুগৰাকীক দেশৰ সভ্যতাৰ এগৰাকী উচ্চ পৰ্যায়ৰ আধ্যাত্মিক ব্যক্তিত্ব বুলি অভিহিত কৰে।

০০০০০০

কেন্দ্ৰীয় চৰকাৰে বিভিন্ন ৰাজ্যৰ প্ৰব্ৰজনকাৰী শ্ৰমিকসকলৰ বাবে দৈনিক আৱণ্টিত ৫ কিলোগ্ৰামৰ মুক্ত বাণিজ্য এল পি জি চিলিণ্ডাৰৰ যোগান দুগুণলৈ বৃদ্ধি কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। পেট্ৰ'লিয়াম আৰু প্ৰাকৃতিক গেছ মন্ত্ৰালয়ৰ সচিব ড° নীৰজ মিট্টালে দেশৰ সকলো ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলৰ মুখ্য সচিবসকললৈ প্ৰেৰণ কৰা এখন পত্ৰৰ জৰিয়তে এই সিদ্ধান্তৰ বিষয়ে প্ৰকাশ কৰিছে। সংশ্লিষ্ট ৰাজ্যসমূহৰ প্ৰব্ৰজনকাৰী শ্ৰমিকসকলৰ মাজত বিতৰণ কৰাৰ উদ্দেশ্যে ৰাজ্যসমূহৰ চৰকাৰৰ লগতে তেওঁলোকৰ খাদ্য আৰু অসামৰিক যোগান বিভাগলৈ বাণিজ্যিক তৈল প্ৰতিষ্ঠানৰ সহায়েৰে এনে ৫ কিলোগ্ৰাম ওজনৰ এল পি জি চিলিণ্ডাৰসমূহ যোগান ধৰা হ'ব বুলি তেওঁ জানিবলৈ দিয়ে।

০০০০০০

ইজৰাইলে কালি ইৰানৰ শক্তি আন্তগাঁথনিত আক্ৰমণ চলোৱাৰ পাছতে সমগ্ৰ পশ্চিম এছিয়াত উত্তেজনা পুনৰ বৃদ্ধি পাইছে। ইজৰাইলে ইৰানৰ আছালোহেত থকা দেশখনৰ সৰ্ববৃহৎ গেছ উৎপাদন ক্ষেত্ৰ দক্ষিণ পাৰ্ছ গেছ ক্ষেত্ৰত আক্ৰমণ চলায়। ইয়াৰ ফলত প্ৰত্যাক্ৰমণ আৰু বিশ্বজুৰি ইন্ধন সৰবৰাহত আশংকাই দেখা দিছে। ছৌদি আৰৱত ক্ষেপণাস্ত্ৰৰে হোৱা আক্ৰমণ, বিশ্বৰ সৰ্ববৃহৎ পেট্ৰ' ৰাসায়নিক প্ৰকল্প অল জুবেইলত অগ্নিৰ সূত্ৰপাত আৰু ইৰানৰ শক্তি খণ্ডত আঘাত হনাৰ ফলত সমগ্ৰ পশ্চিম এছীয়াত উদ্বেগৰ সৃষ্টি হোৱাৰ লগতে বিশ্বজুৰি ইন্ধনৰ সমস্যাই দেখা দিয়াৰ আশংকা প্ৰকাশ পাইছে। ইপিনে আমেৰিকাৰ ৰাষ্ট্ৰপতি ডনাল্ড ট্ৰাম্পে ইৰানে হৰমুজ প্ৰণালী মুকলি কৰি নিদিলে নিশাটোৰ ভিতৰতে দেশখন নিঃশেষ কৰি পেলাব পাৰে বুলি সকীয়নি দিছে। উপসাগৰীয় অঞ্চলৰ মাজেৰে ইন্ধনৰ মুক্ত সৰবৰাহ নিশ্চিত কৰাৰ বাবে সকীয়নি জাৰি কৰি শ্ৰীট্ৰাম্পে ভাৰতীয় সময় অনুসৰি কাইলৈ পুৱা চাৰে ৫ বজা অন্তিম সময়সীমা নিৰ্ধাৰণ কৰি দিছে। হোৱাইট হাউছত এখন সংবাদ মেলত ট্ৰাম্পে কয় যে, হৰমুজ প্ৰণালী বন্ধ কৰি ৰাখিলে আমেৰিকাই ইৰানৰ শক্তি কেন্দ্ৰ আৰু যান-বাহন আন্তগাঁথনিত আঘাত হানিব। ইপিনে ইৰানে আমেৰিকাক সকলো নৃশংস কাৰ্যকলাপ পৰিহাৰ কৰাৰ লগতে পুনৰ সংস্থাপনত সহায় আগবঢ়োৱাৰ ক্ষেত্ৰত নিষেধাজ্ঞা বাতিল নকৰিলে যুদ্ধ বিৰতি কৰা নহব বুলি স্পষ্ট কৰি দিছে। আনহাতে ইৰানৰ আক্ৰমণৰ ভাবুকিৰ বাবে ছৌডি আৰৱৰ দ্বীপ ৰাষ্ট্ৰ বাহৰেণৰ সৈতে সংযোগ কৰা এখন মূল দলং দ্যা কিং ফাহড কজ ওৱে বন্ধ হৈ পৰিছে।

০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ভিয়েটনামৰ নতুন ৰাষ্ট্ৰপতি হিচাপে নিৰ্বাচিত তো লামক অভিনন্দন জনাইছে। সামাজিক মাধ্যম যোগে প্ৰচাৰ কৰা এটা বাৰ্তাত দেশখনৰ নতুন ৰাষ্ট্ৰপতি হিচাপে নিৰ্বাচিত হোৱা লামৰ নেতৃত্বত দেশখনৰ সৈতে ভাৰতৰ সম্পৰ্ক অধিক শক্তিশালী হৈ উঠিব বুলি তেওঁ আশাপ্ৰকাশ কৰে। ভাৰত আৰু ভিয়েটনামৰ মাজৰ দীৰ্ঘদিনীয়া বন্ধুত্বপূৰ্ণ সম্পৰ্কৰ বিষয়ে উল্লেখ কৰি শ্ৰীমোদীয়ে কয়, যে অঞ্চলটোৰ জনসাধাৰণৰ পাৰস্পৰিক উন্নয়ন তথা সমৃদ্ধিৰ স্বাৰ্থত উভয় পক্ষৰ মাজৰ কৌশলগত সহযোগিতাক অধিক গভীৰ কৰি তোলাৰ হকে একেলগে কাম কৰিবলৈ তেওঁ আগ্ৰহেৰে অপেক্ষা কৰি আছে।

০০০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি গুৱাহাটীৰ বৰ্ষাপাৰা ক্ৰিকেট ষ্টেডিয়ামত হবলগীয়া এখন খেলত মুম্বাই ইণ্ডিয়ানছ ৰাজস্থান ৰয়েলছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন

সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব। বৰ্তমান ৰাজস্থান ৰয়েলছ পইণ্ট তালিকাৰ তৃতীয় স্থানত থকাৰ বিপৰীতে মুম্বাই ইণ্ডিয়ানছ ষষ্ঠ স্থানত আছে।

ইফালে, কলকাতাৰ ইডেন গাৰ্ডেনছত কলকাতা নাইট ৰাইডাৰ্ছ আৰু পঞ্জাব কিংছৰ মাজত কালি নিশা অনুষ্ঠিত খেলখন বৰষুণৰ বাবে আধাতে সামৰিবলগীয়া হয়।

oooooo

**সমাপ্ত**